**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-06-2025 **Time :** 07-55Hrs.

## <u>Assamese Morning Bulletin</u>

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ১২ খন জিলাৰ ৩ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। কামৰূপ মহানগৰ জিলাত কালি বিয়লি বান আৰু ভূমিস্খলনৰ বাবে দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ এইবাৰ ৰাজ্যৰ প্ৰথম বান আৰু ভূমিস্খলনত বৰ্তমানলৈ মৃত্যু হোৱা লোকৰ সংখ্যা ২৩ লৈ বৃদ্ধি পালে। এইবাৰ বানত ৰাজ্যখনৰ এহেজাৰৰো অধিক গাঁও আৰু প্ৰায় এহেজাৰ ২৫০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োগ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৩৬ হাজাৰতকৈ অধিক লোকে ১৩৩ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ আছে।

ৰাজ্যৰ অধিকাংশ জিলাত বৰষুণ কম হোৱাত ঘাই ঘাই নৈসমূহৰ জলপৃষ্ঠ হ্ৰাস পাইছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উজনি অসমৰ ঠাই বিশেষে মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে।

০০০০০০০

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন কাইলৈ অনুষ্ঠিত হ'ব। অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড° ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে।

০০০০০০০

শাসনাধিস্থিত বিজেপিয়ে অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে অসমৰ দুখন আসনৰ এখনত কনাড পুৰকায়স্থক প্ৰাৰ্থী হিচাপে মনোনীত কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় মহাসচিব অৰুণ কুমাৰ সিনহাই কালি প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা কনাড পুৰকায়স্থৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। ইপিনে বিজেপিৰ মিত্ৰদল অগপই আনখন আসনৰ বাবে পুনৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। দিছপুৰত মন্ত্ৰী অতুল বৰাৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত বৈশ্যৰ নাম চূড়ান্ত কৰা হয়। ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ অন্তিম দিন। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

০০০০০০০

অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাৰ আৰক্ষীয়ে কালি তেজপুৰত অভিযান চলাই আন্তঃৰাজ্যিক পাৰপত্ৰ প্ৰস্তুতকাৰী চক্ৰ উৎখাত কৰে। আৰক্ষীৰ দলটোৱে এই অভিযানত শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা বিভাগৰ কৰ্মচাৰী আশীষ ঘোষক গ্ৰেপ্তাৰ কৰে। তেজপুৰৰ

গাৰোৱানপট্টীৰ নিবাসী আশীষ ঘোষে দীৰ্ঘদিন ধৰি নকল পাৰপত্ৰ প্ৰস্তুত কৰি অহাৰ অভিযোগ উত্থাপন হৈছিল। উল্লেখযোগ্য যে অসম-অৰুণাচল সীমান্ত ভালুকপুং চেকগে'টত আন্তঃৰাজ্যিক পাৰপত্ৰ পৰীক্ষা কৰাৰ সময়ত আৰক্ষীয়ে তাৰাং চক্ৰ বিষয়াৰ নকল স্বাক্ষৰ আৰু ছীল থকা পাৰপত্ৰ জব্দ কৰে। ইয়াৰ পাছতে ভালুকপুং আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হয়। এই গোচৰৰ ভিত্তিতেই ভালুকপুং আৰক্ষীৰ এটা বিশেষ দলে তেজপুৰ আৰক্ষীৰ সহযোগত আশীষ ঘোষক আটক কৰে। আৰক্ষীয়ে অভিযানৰ সময়ত লেপটপ, মোবাইল ফোন, এটিএম কাৰ্ড, চেকবুক, নগদ ধনসহ বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ জব্দ কৰে।

0000000

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ বালিজানত ব্ৰহ্মপুত্ৰৰ খহনীয়া অব্যাহত আছে। ব্ৰহ্মপুত্ৰত জিঅ' বেগৰ মথাউৰিৰ এটা অংশ উটি যোৱাত নৈপৰীয়া লোকসকল আতংকিত হৈ পৰিছে। স্থানীয় লোকসকলে সংশ্লিষ্ট কৰ্তৃপক্ষক শীঘ্ৰে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। খহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থা গ্ৰহণ নকৰালৈকে আজি পুৱাৰ ভাগলৈ ৰহমহীয়া বালিজানত থকা তেলৰ খাদ বন্ধ কৰি ৰখাৰ ঘোষণা কৰা হয়।

0000000

সদৌ অসম সত্ৰ মহাসভাই ৰাজ্যৰ সত্ৰসমূহৰ তথ্য সম্বলিত এখন বুৰঞ্জী প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ধেমাজি, লখিমপুৰ, মাজুলী আৰু বিশ্বনাথ জিলা সামৰি গঠিত সদৌ অসম সত্ৰ মহাসভাৰ উত্তৰ-পূব মণ্ডল সমিতিৰ লখিমপুৰত কালি অনুষ্ঠিত এখন সাধাৰণ সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই বুৰঞ্জী প্ৰণয়নৰ বাবে সত্ৰ মহাসভাই প্ৰতিখন জিলা সমিতিক তথ্য সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰিছে। অসমৰ চাহ বাগিছা এলেকাসমূহত সমন্বয়মূলক সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰাৰো সিদ্ধান্ত লোৱা হৈছে। তদুপৰি গোৱালপাৰাত স্থাপন কৰা আই খেৰসুতি বিশ্ববিদ্যালয়ত ডিচেম্বৰ মাহত গৱেষণামূলক পাঠ্যক্ৰমেৰে শ্ৰেণীসমূহ আৰম্ভ কৰাৰ বিবেচনা কৰা হৈছে। অহা ৭ আৰু ৮ জুলাইত সত্ৰ মহাসভাৰ ভগ্নী সংগঠন আই কনকলতা মহিলা তীৰ্থ, নগাঁও মহাবিদ্যালয় আৰু নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সহযোগত ওড়িশাৰ কটকৰ বিশ্ববিদ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ সৃষ্টি কৰ্ম আৰু ইয়াৰ বিশ্বজনীনতা শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব বুলি কালি সাধাৰণ সভাত প্ৰকাশ কৰা হয়।

0000000

সদৌ অসম জাতীয়তাবাদী যুৱ পৰিষদৰ অন্তৰ্গত তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত অসম সাহিত্য সভাৰ তিনিচুকীয়া শাখা সাহিত্য সভা ভৱনত কালি গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস পালন কৰা হয়। এই উপলক্ষে গীতে-মাতে পাৰ্বতী প্ৰসাদ শীৰ্ষক অনুষ্ঠানত সংগীত শিল্পী, লেখক তথা শিক্ষক অমৃত ৰাজখোৱাই গীতি কবিগৰাকীয়ে অসমীয়া সংগীতক নতুন মাত্ৰা প্ৰদান কৰি গৈছে বুলি মন্তব্য কৰে। নতুন প্ৰজন্মই তেওঁৰ গীতসমূহ চৰ্চা কৰাৰ প্ৰয়োজন বুলিও তেওঁ উল্লেখ কৰে। এই সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

0000000

**সমাপ্ত**